**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 23-09-2024 **Time :** 1340 Hrs.

## *Assamese Midday Bulletin*
## *HEADLINES*

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে একবিংশ শতিকা প্ৰযুক্তিৰ শতিকা আৰু প্ৰতিটো খণ্ড মানৱ কল্যাণৰ বাবে পৰিচালিত হৈছে।

২। জম্মু-কাশ্মীৰৰ বিধানসভা নিৰ্বাচনৰ দ্বিতীয় পৰ্যায়ৰ প্ৰচাৰ অভিযানৰ আজি সন্ধিয়া সামৰণি পৰিব।

৩। অসমত বিগত কেইবাদিনো ধৰি গৰমৰ প্ৰকোপ অব্যাহত আছে।

৪। হাইফা যুদ্ধৰ শ্বহীদসকলৰ সন্মানাৰ্থে নতুন দিল্লীত আজি হাইফা দিৱস পালন কৰা হয়।

আৰু

৫। প্ৰধানমন্ত্ৰী মোদীয়ে ৪৫ সংখ্যক দবা অলিম্পিয়াডত সোণৰ পদক জয় কৰা ভাৰতীয় পুৰুষ আৰু মহিলাৰ দলটোক প্ৰশংসা কৰিছে।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে একবিংশ শতিকা প্ৰযুক্তিৰ শতিকা আৰু প্ৰতিটো খণ্ড মানৱ কল্যাণৰ বাবে পৰিচালিত হৈছে। প্ৰধানমন্ত্ৰীয়ে আজি পুৱা নিউয়ৰ্কত আমেৰিকাৰ আগশাৰীৰ প্ৰযুক্তি কোম্পানীসমূহৰ মুখ্য কাৰ্যবাহী বিষয়াসকলৰ সৈতে ঘূৰণীয়া মেজমেলত অংশগ্ৰহণ কৰে। তেওঁ লগতে কয় যে প্ৰযুক্তি আৰু গণতন্ত্ৰৰ মাজত ভাৰসাম্যতা সময়ৰ প্ৰয়োজনীয়তা আৰু গণতান্ত্ৰিক মূল্যবোধ আৰু প্ৰযুক্তিৰ একত্ৰীকৰণ মানৱ কল্যাণৰ বাবে এটা প্ৰতিশ্ৰুতি। প্ৰধানমন্ত্ৰীয়ে কয় যে ভাৰত প্ৰতিভা, গণতন্ত্ৰ আৰু বজাৰৰ এখন দেশ। এয়া এক দুৰ্লভ স্থিতি। প্ৰধানমন্ত্ৰীয়ে বিভিন্ন খণ্ডত দ্বিপাক্ষিক সহযোগিতা গঢ়ি তোলাৰ বিষয়েও আলোচনা কৰে। শ্ৰী মোদীয়ে কয় ভাৰতৰ প্ৰতি মুখ্য কাৰ্যবাহী বিষয়াসকলে প্ৰদৰ্শন কৰা বিশ্বাসৰ বাবে তেওঁ সুখী। প্ৰধানমন্ত্ৰীয়ে কয় যে যেতিয়া বিশ্বৰ সৰ্ববৃহৎ গণতন্ত্ৰ দ্ৰুত গতিত বৃদ্ধি পায়, তেতিয়া ই বিশ্ব শান্তি আৰু সমৃদ্ধিৰ নিশ্চয়তাও দিয়ে। আজিৰ ভাৰতীয় শাসন ব্যৱস্থা কেৱল নীতি-নিৰ্দেশিত নহয়, বৰং প্ৰতিটো খণ্ডৰ বিনিয়োগকাৰীক আশ্বাস দিয়া সুস্থিৰ নীতিৰ ওপৰত ভিত্তি কৰি গঢ়ি উঠিছে। তেওঁ দৃঢ়তাৰে কয় যে মোদীৰ তৃতীয়টো কাৰ্যকালত ভাৰতে বিশ্বৰ তৃতীয় বৃহত্তম অৰ্থনীতি হ'বলৈ যৎপৰোনাস্তি চেষ্টা কৰিব। এই ঘূৰণীয়া মেজমেলত প্ৰযুক্তি, উদ্ভাৱন আৰু ইয়াৰ লগত জড়িত বিভিন্ন দিশসমূহৰ বিষয়েও আলোচনা কৰা হয়। এই বৈঠকত অংশগ্ৰহণ কৰা মুখ্য কাৰ্যবাহী বিষয়াসকলৰ ভিতৰত এডবৰ অধ্যক্ষ, সভাপতি আৰু মুখ্য কাৰ্যবাহী বিষয়া শান্তনু নাৰায়ণ, গুগলৰ মুখ্য কাৰ্যবাহী বিষয়া সুন্দৰ পিচাই আই বি এমৰ মুখ্য কাৰ্যবাহী বিষয়া অৰবিন্দ কৃষ্ণাও আছে।

০০০০০০০০০

জম্মু-কাশ্মীৰৰ বিধানসভা নিৰ্বাচনৰ দ্বিতীয় পৰ্যায়ৰ প্ৰচাৰ অভিযানৰ আজি সন্ধিয়া সামৰণি পৰিব। এই পৰ্যায়ত ৫ খন জিলাৰ ২৬ টা বিধানসভা সমষ্টিত পৰহিলৈ ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। ভোটগ্ৰহণ অনুষ্ঠিত হ'বলগীয়া জিলাকেইখন হৈছে - জম্মু খণ্ডত ৰিয়াচি, ৰাজৌৰী আৰু পুঞ্চ। আনহাতে, কাশ্মীৰ উপত্যকাৰ নিৰ্বাচন অনুষ্ঠিত হ'বলগীয়া জিলাকেইখন হৈছে শ্ৰীনগৰ আৰু বাদগাম। উল্লেখযোগ্য যে তিনিটা পৰ্যায়ত জম্মু-কাশ্মীৰ নিৰ্বাচন অনুষ্ঠিত হৈছে।

ইফালে, দ্বিতীয় আৰু তৃতীয় পৰ্যায়ৰ নিৰ্বাচনৰ বাবে ৰাজনৈতিক দলসমূহৰ প্ৰচাৰ অভিযান তীব্ৰ গতিত চলি থকা পৰিলক্ষিত হৈছে। বিভিন্ন ৰাজনৈতিক দলৰ নেতাসকলে নিৰ্বাচনী প্ৰচাৰ সভাৰ লগতে ৰোড শ্ব' অনুষ্ঠিত কৰিছে। তৃতীয় পৰ্যায়ৰ নিৰ্বাচন অহা ১ অক্টোবৰত অনুষ্ঠিত হ'ব। অহা ৮ অক্টোবৰত ভোটগণনা কৰা হ'ব।

০০০০০০০০

এ আই চি চিৰ প্ৰাক্তন সভাপতি তথা বিৰোধী দলৰ সভাপতি ৰাহুল গান্ধীয়ে আজি পুঞ্চ আৰু শ্ৰীনগৰৰ নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰিছে। তেওঁ জে কে পি চিৰ সভাপতি তথা মিত্ৰজোঁটৰ প্ৰাৰ্থী তাৰিক হামিদ কাৰাৰ সমৰ্থনত নিৰ্বাচনী সভাত ভাষণ দিব।

০০০০০০০০০

অসমত বিগত কেইবাদিনো ধৰি গৰমৰ প্ৰকোপ অব্যাহত আছে। স্বাভাৱিক তাপমাত্ৰা চাৰিৰ পৰা পাঁচ ডিগ্ৰী চেলছিয়াছলৈ বৃদ্ধি পোৱাৰ পৰিপ্ৰেক্ষিতত ৰাজ্যবাসীয়ে অস্বস্তিকৰ পৰিৱেশৰ মাজেৰে দিন পাৰ কৰিবলগীয়া হৈছে। গুৱাহাটীৰ বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই প্ৰকাশ কৰা অনুসৰি সম্প্ৰতি ৰাজ্যৰ বিভিন্ন অঞ্চলত গ্ৰীষ্ম প্ৰবাহৰ মাত্ৰা অত্যধিক হাৰত বৃদ্ধি পাইছে। বিগত দিনকেইটাত তাপমাত্ৰা ৩৭ৰ পৰা ৩৮ ডিগ্ৰী চেলছিয়াছ হৈছে যদিও জলবায়ুৰ আৰ্দ্ৰতাৰ বাবে ৪৫ৰ পৰা ৪৮ ডিগ্ৰী চেলছিয়ালছলৈ গৰম অনুভূত হৈ আহিছে। আজি এই তাপমাত্ৰা নূন্যতম ২৭ ডিগ্ৰীৰ পৰা সৰ্বাধিক ৩৭ ডিগ্ৰী পৰ্যন্ত হোৱাৰ সম্ভাৱনা আছে।

ইফালে, ভাৰতীয় বতৰ বিজ্ঞান বিভাগে আজিৰে পৰা অসম, মেঘালয়, নাগালেণ্ড, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা আৰু ওড়িশাৰ কিছু কিছু অংশত প্ৰবল বৰষুণ হোৱাৰ সম্ভাৱনা প্ৰকাশ কৰিছে।

০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২০১৮ চনত আৰম্ভ কৰা প্ৰধানমন্ত্ৰী জন আৰোগ্য যোজনাখনে আজি ছবছৰ সম্পূৰ্ণ কৰাৰ পৰিপ্ৰেক্ষিতত কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰী জে পি নাড্ডাই সামাজিক মাধ্যমযোগে এই কথা প্ৰকাশ কৰে। তেওঁ কয় যে যোৱা ছবছৰত এই অভিলাসী আঁচনিখনে লাখ লাখ লোকৰ জীৱন স্পৰ্শ কৰিছে আৰু আশা, নিৰাময়ৰ ক্ষেত্ৰত জীৱন ৰক্ষাকাৰী চিকিৎসা প্ৰদান কৰিছে। তেওঁ লগতে কয় যে আয়ুস্মান ভাৰতৰ প্ৰধানমন্ত্ৰী জন আৰোগ্য যোজনা যাত্ৰাই এটা জাতিৰ স্বাস্থ্য আৰু মংগল উন্নত কৰাৰ লক্ষ্যৰে একত্ৰিত হৈছে। শ্ৰী নাড্ডাই দুৰ্বল শ্ৰেণীৰ লোকসকলৰ বাবে ন্যায্য স্বাস্থ্য সেৱাৰ সুবিধা প্ৰদান কৰাৰ চৰকাৰৰ প্ৰতিশ্ৰুতিকো উল্লেখ কৰে।

০০০০০০০০০

সমগ্ৰ দেশতে ৭০ হাজাৰতকৈও অধিক বাহন চাৰ্জিং কেন্দ্ৰ স্থাপনৰ বাবে দুহেজাৰ কোটিতকৈও অধিক টকা বিনিয়োগ কৰাৰ পৰিকল্পনা কৰা হৈছে। গুৱাহাটীত কেন্দ্ৰীয় গধুৰ উদ্যোগ আৰু তীখা মন্ত্ৰী এইচ ডি কুমাৰাস্বামীয়ে এখন সংবাদমেল সম্বোধন কৰি এই বিষয়ে প্ৰকাশ কৰে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে যে অসমৰ কাৰ্বি আংলং জিলাৰ চিমেণ্ট কৰ্প'ৰেচন অব্ ইণ্ডিয়া লিমিটেডৰ বোকাজান প্ৰকল্প পুনৰুজ্জীৱিত কৰিবলৈ চৰকাৰে প্ৰায় ৭০০ কোটি টকা বিনিয়োগ কৰিব। শ্ৰী কুমাৰাস্বামীয়ে শনিবাৰে বোকাজান চিমেণ্ট ফেক্টৰীত কেঁচা মিলত হট গেছৰ ব্যৱহাৰ উদ্বোধন কৰাৰ লগতে ১ মেগাৱাট গ্ৰীড সংযোজিত সৌৰ প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে।

০০০০০০০০০

হাইফা যুদ্ধৰ শ্বহীদসকলৰ সন্মানাৰ্থে নতুন দিল্লীত আজি হাইফা দিৱস পালন কৰা হয়। এই উপলক্ষে আয়োজিত অনুষ্ঠানত ভাষণ দি ভাৰতত ইজৰাইলৰ ৰাষ্ট্ৰদূত ৰুৱেন আজাৰে দুয়োখন দেশৰ সম্পৰ্কৰ প্ৰশংসা কৰে। তেওঁ দুয়োখন দেশত গণতন্ত্ৰৰ প্ৰতিষ্ঠাৰ বিষয়ে উল্লেখ কৰি ইয়াৰ প্ৰশংসা কৰে।

১৯১৮ চনত প্ৰথম বিশ্বযুদ্ধৰ সময়ত ব্ৰিটিছ ভাৰতীয় সেনাবাহিনীৰ সৈনিকসকলে হাইফাৰ যুদ্ধত যুঁজ দিছিল। এই যুদ্ধত অট্ট'মান সাম্ৰাজ্য আৰু জাৰ্মান মিত্ৰ সৈন্যক পৰাস্ত কৰি ভাৰতীয় সেনাই বিজয় সাব্যস্ত কৰিছিল।

২০১৮ চনত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু ইজৰাইলৰ প্ৰধানমন্ত্ৰী বেঞ্জামিন নেট্যানেহুৱে আনুষ্ঠানিকভাৱে তিনমূৰ্তি চ'কৰ নামৰ তিনমূৰ্তি হাইফা চ'কলৈ সলনি কৰিছিল।

০০০০০০০০০

কেন্দ্রত নৰেন্দ্ৰ মোদী চৰকাৰৰ তৃতীয়টো কাৰ্যকালৰ এশ দিন পূৰ হোৱাৰ সৈতে সংগতি ৰাখি বিকশিত ভাৰতৰ পথত অগ্ৰসৰ হোৱাৰ উপলক্ষে চৰকাৰে **মধ্যবিত্ত শ্ৰেণীৰ সৱলীকৰণ**ৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই প্ৰসংগত কয় যে, আধুনিক আন্তঃগাঁথনি গঢ়ি তোলাৰ লগে লগে দেশত নিয়োগৰ সুযোগ বৃদ্ধিৰ জৰিয়তে দৰিদ্ৰ আৰু মধ্যবিত্ত শ্ৰেণীৰ সৱলীকৰণ বৃদ্ধি হোৱা দেখা গৈছে। মধ্যবিত্ত শ্ৰেণীৰ সৱলীকৰণৰ ক্ষেত্ৰত চৰকাৰে বহিঃৰাষ্ট্ৰৰ প্ৰতিষ্ঠানৰ ওপৰত নিৰ্ভৰশীলতা হ্ৰাস কৰাৰ লগতে স্বাস্থ্য সেৱাৰ আন্তঃগাঁথনি শক্তিশালী কৰাৰ বাবে ৭৫ হাজাৰ নতুন চিকিৎসা বিজ্ঞানৰ আসন সংযোজন কৰিছে। আনহাতে প্ৰধানমন্ত্ৰী আৱাস যোজনা নগৰৰ অধীনত কেন্দ্ৰীয় চৰকাৰৰ ২ দশমিক ৩ - ০ লাখ কোটি টকা ৰাজ সাহায্যৰে এক কোটি নগৰীয়া গৃহ নিৰ্মাণ কৰা হৈছে। একেদৰে **পি এম সূৰ্য ঘৰ** যোজনাৰ অধীনত ৩ লাখ ৫ হাজাৰ ঘৰত সৌৰ ব্যৱস্থা স্থাপন কৰাৰ জৰিয়তে মধ্যবিত্ত শ্ৰেণীৰ সঞ্চয় বৃদ্ধি কৰাৰ প্ৰয়াস কৰা হৈছে। মুদ্ৰা ঋণ ১০ লাখৰ পৰা ২০ লাখলৈ বৃদ্ধি কৰি ঔদ্যোগিকৰণৰ ক্ষেত্ৰতো উত্থান ঘটোৱা হৈছে। ইফালে ইউনিফাইড পেঞ্চন আঁচনিৰ অধীনত ২৩ লাখ কেন্দ্ৰীয় চৰকাৰৰ কৰ্মচাৰীক ৫০ শতাংশ পেঞ্চনৰ নিশ্চয়তা প্ৰদান কৰাৰ লগতে অৱসৰপ্ৰাপ্ত প্ৰতিৰক্ষা কৰ্মী আৰু তেওঁলোকৰ পৰিয়ালৰ কল্যাণ নিশ্চিত কৰিবৰ বাবে এটা পদৱী, এটা পেঞ্চন আঁচনিৰ সংশোধন কৰা হৈছে। নৰেন্দ্ৰ মোদী চৰকাৰৰ তৃতীয়টো কাৰ্যকালত ৰাজহুৱা পৰীক্ষা আইন প্ৰৱৰ্তনকে ধৰি মেট্ৰ' প্ৰকল্প, ইলেকট্ৰনিক বাছ আদি বিভিন্ন ব্যৱস্থাৰ জৰিয়তে মধ্যবিত্ত শ্ৰেণীৰ সৱলীকৰণৰ বাবে পদক্ষেপ গ্ৰহণ কৰা হৈছে।

আনহাতে, মহিলা নেতৃত্বাধীন বিকাশৰ ক্ষেত্ৰতো নৰেন্দ্ৰ মোদী চৰকাৰে বিভিন্ন সিদ্ধান্ত গ্ৰহণ কৰিছে। শিক্ষা, উদ্যমিতা, কৃষি, প্ৰযুক্তি আৰু অন্যান্য ক্ষেত্ৰৰ পদক্ষেপৰ জৰিয়তে চৰকাৰে মহিলাসকলক সৱলীকৰণ কৰিবলৈ বদ্ধপৰিকৰ হৈছে।

০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে হাংগেৰীৰ বুডাপেষ্টত অনুষ্ঠিত ৪৫ সংখ্যক দবা অলিম্পিয়াডৰ মুকলি শাখাত সোণৰ পদক জয় কৰা ভাৰতীয় পুৰুষ আৰু মহিলাৰ দলটোক প্ৰশংসা কৰিছে। খেলুৱৈসকলক তেওঁলোকৰ উল্লেখযোগ্য কৃতিত্বৰ বাবে তেওঁ অভিনন্দন জনায়। **উল্লেখযোগ্য যে ইতিহাস ৰচনা কৰি** প্ৰথমবাৰলৈ মুকলি শাখাত ঘৰুৱা দলটোৱে স্বৰ্ণ পদক লাভ কৰে। অন্তিম ৰাউণ্ডত ৰমেশ বাবু প্ৰজ্ঞানন্দ আৰু ডি গুকেশৰ পুৰুষ দলটোৱে শ্লʼভেনিয়াৰ দলটোক পৰাস্ত কৰে। উল্লেখযোগ্য যে ডি হৰিকা, দিব্যা দেশমুখ, বৈশালী আৰু বন্তিকা আগৰৱালাৰ ভাৰতীয় মহিলা দলটোৱে স্বৰ্ণ পদক লাভ কৰি অন্তিম ৰাউণ্ডত আজাৰবাইজানৰ দলটোক পৰাস্ত কৰে।

০০০০০০০০

সমাপ্ত